# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 04-01-2025
**Time :** 1845 Hrs

***Assamese Evening Bulletin***
***HEADLINES***
**- - - - - - - - - - - - - -**

১।	ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যৰ তিনিখন উন্নয়নমূলক আঁচনিৰ শুভাৰম্ভ। জনসাধাৰণৰ সৰ্বাঙ্গীন কল্যানৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে ৰাজ্যপালৰ উল্লেখ।

২।	ৰাজ্যৰ কৃষি, উদ্যানশস্যৰ প্ৰধান সমস্যাৰ সমাধানৰ বাবে কেন্দ্ৰীয় কৃষি মন্ত্ৰী শিৱৰাজ সিং চৌহানক কৃষিমন্ত্ৰী  অতুল বৰাৰ অনুৰোধ।

৩।	গুৱাহাটী মহানগৰৰ আৰক্ষী আয়ুক্ত হিচাপে পাৰ্থ সাৰথি মহন্তৰ দায়িত্ব গ্ৰহণ। জনসাধাৰণৰ সুবিধাৰ বাবে হেল্পলাইন নম্বৰ মুকলিৰ ঘোষণা।

৪।	যোৰহাটৰ অসম কৃষি  বিশ্ববিদ্যালয়ত আঞ্চলিক কৃষক মেলা ২০২৫ আৰম্ভ।

*আৰু*

৫।	অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চিডনী টেষ্টৰ দ্বিতীয় দিনাৰ সামৰণিত ভাৰতৰ দ্বিতীয় ইনিংছত ৬ উইকেটত ১৪১ ৰাণ সংগ্ৰহ।

০০০০০০০

ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্যই আজি গুৱাহাটীৰ ৰাজভৱনত আয়োজিত এটা অনুষ্ঠানত তিনিখন উন্নয়নমূলক আঁচনিৰ শুভাৰম্ভ কৰে। ৰাজ্যপালগৰাকীয়ে আজিৰ অনুষ্ঠানত ৰাষ্ট্ৰীয় কৃতজ্ঞতা আৰু সজাগতা, কৰ্তব্যৰ পৰা বিকাশলৈ আৰু অমৃত সৰোবৰ সম্ভাৱনাসূচক উদগণি শীৰ্ষক আঁচনি ৩ খন আজি জনসাধাৰণৰ কল্যানৰ অৰ্থে মুকলি কৰে। অনুষ্ঠানত দিয়া ভাষণত ৰাজ্যপাল শ্ৰীআচাৰ্য্যই জনসাধাৰণৰ সৰ্বাঙ্গীন কল্যানৰ বাবে চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ বিষয়ে উল্লেখ কৰে।

০০০০০০০

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ অধ্যক্ষতাত আজি ৰাজ্যসমূহৰ কৃষিমন্ত্ৰীসকলৰ এখন বিশেষ পৰ্যালোচনা বৈঠক ভিডিঅ' কনফাৰেন্সযোগে অনুষ্ঠিত হয়। এই বৈঠকত কৃষি মন্ত্ৰী অতুল বৰাই ভিডিঅ' কনফাৰেন্সযোগে যোৰহাটৰ পৰা অংশগ্ৰহণ কৰে। বৈঠকত সমাগত সংসদৰ অধিবেশনত উত্থাপন হবলগীয়া কেন্দ্ৰীয় বাজেটত সন্নিৱিষ্ট কৰিব পৰাকৈ দেশৰ কৃষিখণ্ডৰ বিভিন্ন দিশ আলোচনা কৰা হয়। মন্ত্ৰী শ্ৰীবৰাই এই বৈঠকত ৰাজ্যখনৰ কৃষি, উদ্যানশস্যৰ প্ৰধান সমস্যাৰ বিষয়টো অৱগত কৰে। বিশেষকৈ হাতী, বান্দৰৰ উপদ্ৰৱৰ বিষয়টো তেওঁ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক অৱগত কৰে। এই সমস্যাৰ সন্মুখীন হৈ অহা ৰাজ্যখনৰ কৃষকসকলক প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ জৰিয়তে সকাহ প্ৰদানৰ ব্যৱস্থা আৰু কীটনাশক পৰীক্ষণ কেন্দ্ৰ স্থাপন কৰিবলৈ তেওঁ অনুৰোধ জনায়।

গুৱাহাটীৰ খাৰঘূলি অঞ্চলত সংঘটিত পানী যোগান পাইপ বিস্ফোৰণত ক্ষতিগ্ৰস্ত ২৩টা পৰিয়ালক আজি জল বৰ্ডৰ তৰফৰ পৰা ক্ষতিপূৰণ প্ৰদান কৰা হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সামাজিক মাধ্যম যোগে জনোৱা অনুসৰি আংশিকভাৱে ক্ষতিগ্ৰস্ত ২৩টা পৰিয়ালক ১১লাখ ৯৬ হাজাৰ ৫০০ টকাৰ ক্ষতিপূৰণ দিয়া হয়। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই এটা প্ৰতিনিধি দলৰ সৈতে গৈ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চেক প্ৰদান কৰে।

০০০০০০০

গুৱাহাটীৰ খাৰঘূলি অঞ্চলত সংঘটিত পানী যোগান পাইপ বিস্ফোৰণত ক্ষতিগ্ৰস্ত ২৩টা পৰিয়ালক আজি জল বৰ্ডৰ তৰফৰ পৰা ক্ষতিপূৰণ দিয়া হৈছে। জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই সামাজিক মাধ্যম এই কথা প্ৰকাশ কৰি কয় যে, আংশিকভাৱে ক্ষতিগ্ৰস্ত ২৩টা পৰিয়ালক ১১লাখ ৯৬ হাজাৰ ৫০০ টকাৰ ক্ষতিপূৰণ দিয়া হৈছে। গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়াই এটা প্ৰতিনিধি দলৰ সৈতে গৈ ক্ষতিগ্ৰস্ত পৰিয়ালসমূহক চেক প্ৰদান কৰে।

০০০০০

অসম প্ৰকাশন পৰিষদ আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ উদ্যোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত যোৱা ২৭ ডিচেম্বৰৰ পৰা গ্ৰন্থ মেলা অনুষ্ঠিত হৈ আছে। আজি দিনৰ ভাগত সদ্যপ্ৰয়াত কবি মীৰা ঠাকুৰৰ সোঁৱৰণত অনুষ্ঠিত মহিলাসকলৰ এটি অনুষ্ঠান ৰাণী গোঁহায়ে পৰিচালনা কৰে। কাইলৈ গ্ৰন্থ মেলা বাকৰিত পুৱা চাৰে ৯ বজাৰপৰা দিনৰ ২ বজালৈ শিশুৰ দিন উপলক্ষে চিত্ৰাংকন, মুকলি কুইজ, কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব।

০০০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ নিকটৱৰ্তী দৈমু নগৰ পথাৰত ৯ জানুৱাৰীৰ পৰা ১২ জানুৱাৰীলৈ ৪ দিনীয়া কাৰ্যসূচীৰে বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক কেন্দ্ৰীয় অধিবেশন অনুষ্ঠিত হ'ব। এই উপলক্ষে আদৰণি সমিতিয়ে ব্যাপক প্ৰস্তুতি চলাইছে। প্ৰায় ৩ কোটি টকাৰ বাজেটেৰে হ'বলগীয়া অধিবেশনথলীত দিনে নিশাই তোৰণ নিৰ্মাণৰ কাম চলি আছে। বড়ো জাতি জনগোষ্ঠীৰ ঐতিহ্য, পৰম্পৰা, ভাষা সাহিত্য আৰু সংস্কৃতিক নতুন প্ৰজন্মৰ মাজত পৰিচয় কৰি দিয়াৰ লক্ষ্যৰে বিভিন্ন আৰ্হি প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। বড়ো সাহিত্য সভাৰ অধিবেশনৰ মুকলি সভাত কেন্দ্ৰীয় মন্ত্ৰী ধৰ্মেন্দ্ৰ প্ৰধান, সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যপাল লক্ষ্মন প্ৰসাদ আচাৰ্য্য আৰু মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাও উপস্থিত থাকিব।

০০০০০০০

তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাৰ ৰাজহ চক্ৰৰ উদ্যোগত উত্তৰ মাৰ্ঘেৰিটা ৰংগমঞ্চত আজি মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ কাৰ্যসূচীৰ সন্দৰ্ভত এখন সজাগতামূলক সভা অনুষ্ঠিত হয়। সভাত উপস্থিত থাকি জিলা আয়ুক্ত স্বপ্নীল পালে ৰাইজক মিছন বসুন্ধৰা কাৰ্যসূচী সন্দৰ্ভত বহলাই কয়। তেওঁ খিলঞ্জীয়া স্থায়ী বাসিন্দাসকলে নিজে বসবাস কৰা ভূমিৰ পট্টা লাভ কৰা বিধি ব্যৱস্থাসমূহৰ বিষয়ে সকলোকে অৱগত কৰে। সভাত মাৰ্ঘেৰিটা সম জিলাৰ আয়ুক্ত পৰীক্ষিত থাউদাং, ৰাজহ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত আয়ুক্ত লীনা পাৰে আদিও উপস্থিত থাকে।

০০০০০০০

গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হিচাপে আজি পাৰ্থ সাৰথি মহন্তই আনুষ্ঠানিকভাৱে দায়িত্ব গ্ৰহণ কৰে। শীৰ্ষ আৰক্ষী বিষয়া শ্ৰীমহন্তই নতুন দায়িত্ব গ্ৰহণ কৰি গুৱাহাটীবাসীৰ বাবে এটা নতুন হেল্পলাইন নম্বৰ মুকলি কৰে। ওজৰ আপত্তি তথা সমস্যাৰ বিষয়ে জনোৱাৰ বাবে ৬০২৬৯-০০৬৫১ ৱাটছআপ নম্বৰ মুকলি কৰাৰ বিষয়ে তেওঁ জানিবলৈ দিয়ে।এই ৱাটছআপ নম্বৰ ২৪ ঘণ্টাই সক্ৰিয় হৈ থাকিব বুলি তেওঁ প্ৰকাশ কৰে। মহানগৰৰ নতুন আৰক্ষী আয়ুক্তগৰাকীয়ে কয় যে আইনৰ গণ্ডীত থাকি চৰকাৰৰ মতে সকলো কাম কৰি যাবলৈ তেওঁ চেষ্টা কৰিব। মহানগৰীত অপৰাধ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত কঠোৰভাৱে কাম কৰি যাব বুলি প্ৰকাশ কৰে। আৰক্ষী আয়ুক্তগৰাকীয়ে পুনৰ কয় যে জনসাধাৰণৰ পূৰ্ণ সহায় সহযোগিতা অবিহনে আৰক্ষীয়ে কোনো কাম কৰিব নোৱাৰে। সেয়ে জনসাধাৰণৰ সমৰ্থনত আৰক্ষীয়ে অপৰাধ নিয়ন্ত্ৰণৰ বাবে কাম কৰি যাব বুলি তেওঁ প্ৰকাশ কৰে। আৰক্ষী আয়ুক্তগৰাকীয়ে মহানগৰীত চেইন, মোবাইল কাঢ়ি নিয়া, বাহন চুৰিৰ ঘটনা ৰোধ কৰাৰ বাবে গুৰুত্ব আৰোপ কৰিব বুলিও মন্তব্য কৰে।

**ৰাইট নিউ চিপি**

উল্লেখযোগ্য যে মহানগৰ আৰক্ষী আয়ুক্তৰ দায়িত্ব গ্ৰহণ কৰিলেও তেওঁ অতিৰিক্তভাৱে স্পেচিয়েল টাস্ক ফ'ৰ্চৰ মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰিব।

০০০০০০০

শিৱসাগৰ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া অশ্বিনী দলেৰ বাসগৃহ আৰু কাৰ্যালয়ত আজি মুখ্যমন্ত্ৰীৰ তদাৰকী কোষে অভিযান চলায়। বিষয়াগৰাকীৰ চৰকাৰী বাসগৃহ আৰু শিৱসাগৰ জিলা পৰিষদৰ কাৰ্যালয়ত এই অভিযান চলোৱা হৈছিল। মুখ্যমন্ত্ৰীৰ তদাৰকী কোষৰ উপ আৰক্ষী অধীক্ষকৰ নেতৃত্বত শিৱসাগৰ আৰক্ষীৰ সহযোগত মুখ্য কাৰ্যবাহী বিষয়াগৰাকীৰ বিৰুদ্ধে চলোৱা অভিযানৰ কাৰণ জনোৱাৰ পৰা আৰক্ষী বিৰত আছে।

০০০০০০০

কৃষিমন্ত্ৰী অতুল বৰাই আজি যোৰহাটৰ অসম কৃষি বিশ্ববিদ্যালয়ত আয়োজিত আঞ্চলিক কৃষক মেলা ২০২৫ আনুষ্ঠানিকভাৱে মুকলি কৰে। কৃষিমন্ত্ৰী শ্ৰীবৰাই লগতে মেলাৰ লগত সংগতি ৰাখি আয়োজন কৰা প্ৰদৰ্শনীৰ দ্বাৰো মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কৃষক, কৃষি উদ্যমীসকলৰ সৈতে মত বিনিময় কৰে। কৃষি খণ্ডলৈ অহা জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানকে ধৰি মাটি, পানীকে ধৰি পৰিৱেশ সংক্ৰান্তীয় আন সমস্যাসমূহ নেওচি কৃষি খণ্ডৰ উন্নয়নৰ বাবে কাম কৰি যাবলৈ তেওঁ সকলোকে আহ্বান জনায়। উত্তৰ পূৰ্বাঞ্চলত কৃষিভিত্তিক অৰ্থনীতি শক্তিশালী কৰাৰ ওপৰতো কৃষিমন্ত্ৰীগৰাকীয়ে গুৰুত্ব আৰোপ কৰে। প্ৰতিকূল পৰিস্থিতিৰ মোকাবিলা কৰিবলৈ কৃষি বিশ্ববিদ্যালয়খনৰ উদ্ভাৱনী চিন্তা আৰু গৱেষণাৰো তেওঁ পোষকতা কৰে। ভাষণ প্ৰসংগত তেওঁ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰে গ্ৰহণ কৰি অহা বিভিন্ন কল্যানকামী পদক্ষেপ আৰু কৃষিখণ্ডৰ সম্ভাৱনাৰ বিভিন্ন দিশ আলোকপাত কৰে। অনুষ্ঠানত সাংসদ কামাখ্যা প্ৰসাদ টাছা, অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য ড° বিদ্যুৎ চন্দন ডেকা প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

০০০০০০০

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি কাহিলীপাৰাৰ মাধ্যমিক শিক্ষা সঞ্চালকালয়ৰ কাৰ্যালয়ত আয়োজিত এটা অনুষ্ঠানত মৃত্যু হোৱা ২৬ গৰাকী অতিৰিক্ত ঠিকাভিত্তিক শিক্ষক-শিক্ষয়িত্ৰীৰ পৰিয়ালক ৫ লাখকৈ এককালীন সাহায্য প্ৰদান কৰে। মুখ্যমন্ত্ৰীৰ বিশেষ পুঁজিৰ পৰা আগবঢ়োৱা এই এককালীন অনুদানে পৰিয়ালসমূহক উপকৃত কৰিব বুলি শিক্ষামন্ত্ৰী ডাঃ পেগুৱে আশা প্ৰকাশ কৰে। একেটা অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীয়ে বিদ্যালয় শিক্ষা বিভাগৰ দ্বাৰা প্ৰণিত এখন পুস্তিকা উন্মোচন কৰে। অনুষ্ঠানত শিক্ষা সচিব নাৰায়ণ কোঁৱৰ, সমগ্ৰ শিক্ষা অসমৰ মিছন সঞ্চালক ড° ওমপ্ৰকাশ, এছ চি ই আৰ পিৰ সঞ্চালক ড° নিৰোদা দেৱীৰ লগতে আন বিষয়াসকল উপস্থিত থাকে।

০০০০০০০

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য্যই কাইলৈ তিনিচুকীয়া জিলা ভ্ৰমণ কৰিব। তেওঁ তাত বিয়লি জিলা আয়ুক্ত কাৰ্যালয়ত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰিব। ইয়াৰ পাছতে, ৰাজ্যপালগৰাকীয়ে সংবাদ মাধ্যমৰ কৰ্মীসকলৰ সৈতে মত বিনিময় কৰিব বুলি আমাৰ তিনিচুকীয়াৰ সংবাদ দাতাই জনাইছে।

০০০০০০০

লখিমপুৰ জিলাত কাইলৈ অসম আৰক্ষী উপ পৰিদৰ্শক পদৰ বাবে অসামৰিক প্ৰতিৰক্ষা সংযুক্ত পৰীক্ষা অনুষ্ঠিত হ'ব। ইয়াৰ পৰিপ্ৰেক্ষিতত জিলা দণ্ডাধীশে পৰীক্ষা হ'বলগীয়া কেন্দ্ৰসমূহত কেতবোৰ নিষেধাজ্ঞা জাৰি কৰিছে। এই অনুসৰি পৰীক্ষা কেন্দ্ৰসমূহৰ ১০০ মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত প্ৰাৰ্থী আৰু পৰীক্ষাৰ কামত নিয়োজিত বিষয়া কৰ্মচাৰীৰ বাবে অন্য লোকৰ প্ৰৱেশ নিষিদ্ধ কৰা হৈছে। কোনো প্ৰাৰ্থীয়ে মোবাইল ফোন নাইবা কোনো ধৰণৰ ডিজিটেল যোগাযোগৰ মাধ্যম, কেলকুলেটৰ, পেইন ড্ৰাইভ, পাঠ্যপুথি আদি পৰীক্ষা কেন্দ্ৰৰ ভিতৰলৈ

নিব নোৱাৰিব। এই আদেশ অমান্য কৰা সকলৰ বিৰুদ্ধে আইনগত ব্যৱস্থা লোৱা হ'ব বুলিও প্ৰশাসনে জনাইছে।

০০০০০০০

মৰিগাঁও জিলা শিক্ষা বিভাগৰ উদ্যোগত আজি জিলাৰ শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানত গুণোৎসৱৰ দ্বিতীয় পৰ্যায়ৰ বহিঃমূল্যায়ক বিষয়াৰ প্ৰশিক্ষণ অনুষ্ঠিত হয়। প্ৰশিক্ষণত মৰিগাঁও জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই ভাষণ প্ৰদান কৰি বিভিন্ন বিভাগৰ বিষয়াসকলৰ পৰা গুণোৎসৱ অনুষ্ঠিত কৰিবলৈ সহযোগিতা কামনা কৰে। প্ৰশিক্ষণত অংশগ্ৰহণ কৰি জিলাখনৰ অতিৰিক্ত আয়ুক্ত আৰু সহকাৰী আয়ুক্তই চৰকাৰী বিষয়াসকলক গুণোৎসৱৰ দায়িত্ব সুকলমে পালন কৰিবলৈ আহ্বান জনায়। উল্লেখযোগ্য যে, ২০২৫ চনৰ ৪ ফেব্ৰুৱাৰীৰ পৰা ৭ ফেব্ৰুৱাৰীলৈ জিলাখনত গুণোৎসৱ অনুষ্ঠিত হ'ব। এই গুণোৎসৱত জিলাখনত এহেজাৰ ৩৯৪ খন বিদ্যালয়ৰ ১লাখ ৫১ হাজাৰ ৯৯২ জন ছাত্ৰ-ছাত্ৰীক ৬৯০ গৰাকীক বহিঃ নিৰীক্ষকে মূল্যায়ন কৰিব।

০০০০০০০

আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰত স্থাপন কৰা ১০ কিলোৱাট শক্তি সম্পন্ন নতুন এফ এম ট্ৰান্সমিটাৰৰ পৰা অনুষ্ঠান প্ৰচাৰ আৰম্ভ হৈছে। এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত এই ট্ৰান্সমিটাৰৰ পৰা প্ৰচাৰিত উন্নত মানৰ অনুষ্ঠান কোকৰাঝাৰৰ লগতে ধুবুৰী, বঙাইগাঁও, গোৱালপাৰা আৰু চিৰাং জিলাৰ শ্ৰোতাসকলে শুনিবলৈ সমৰ্থ হৈছে। আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে গুৱাহাটীত আয়োজিত এটা অনুষ্ঠানত ভিডিঅ' কনফাৰেন্সিঙৰ জৰিয়তে আকাশবাণী কোকৰাঝাৰ কেন্দ্ৰৰ এফ এম ট্ৰান্সমিটাৰ আনুষ্ঠানিকভাৱে ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। এই নতুন এফ এম ট্ৰান্সমিটাৰৰ সংযোজনে অঞ্চলটোৰ ৰাইজক কেনেদৰে উৎসাহিত কৰিছে সেই বিষয়ে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰ কৰিব।

শ্ৰোতাসকলে আমাৰ এই অনুষ্ঠান আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্ট্জত শুনিব পাৰিব। এই অনুষ্ঠান আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰিব।

০০০০০০০

কামৰূপ জিলাৰ চানডুবিত অনুষ্ঠিত চানডুবি মহোৎসৱৰ আজি চতুৰ্থ দিনা অভূতপূৰ্ব জনসমাগম পৰিলক্ষিত হয়। পৰ্যটন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে আজি চানডুবি মহোৎসৱত উপস্থিত হৈ বিল পৰিদৰ্শন কৰাৰ লগতে পৰ্যটনস্থলী বিকাশৰ বাবে কাম কৰাৰ বিষয়ে উল্লেখ কৰে। আগন্তুক বৰ্ষত পৰ্যটন, জলসিঞ্চন আৰু বন বিভাগে যৌথভাৱে চানডুবি বিল সংৰক্ষণৰ বাবে কাম কৰিব বুলি তেওঁ জানিবলৈ দিয়ে।

০০০০

লখিমপুৰৰ বিহপুৰীয়াত আজি লুই ব্ৰেইলৰ ২১৬সংখ্যক জন্ম দিৱস উলহ মালহেৰে উদযাপন কৰা হয়। বিহপুৰীয়াৰ অসম অন্ধ শিশু বিদ্যালয় সেৱা সমিতি, গুৱাহাটীৰ লুই ব্ৰেইল দিৱস উদযাপন সমিতি আৰু বিহপুৰীয়া শিক্ষা খণ্ডৰ সমগ্ৰ শিক্ষা বিভাগৰ যৌথ উদ্যোগত দৃষ্টিহীনসকলৰ শিক্ষাগ্ৰহণৰ অন্যতম মাধ্যম ব্ৰেইল পদ্ধতিৰ উদ্ভাৱক লুই ব্ৰেইলৰ জন্ম দিনটো উদযাপন কৰা হয়। এই উপলক্ষে লুই ব্ৰেইলৰ প্ৰতিছবিত শ্ৰদ্ধাঞ্জলি জনোৱাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত পুথি অধ্যয়ন প্ৰতিযোগিতা অনুষ্ঠিত হয়। দুপৰীয়া অনুষ্ঠিত মুকলি সভাত দৃষ্টিহীন শিক্ষাৰ্থী আৰু শিক্ষকসকলে গীত মাত পৰিবেশন কৰি লুই ব্ৰেইলক সোঁৱৰণ কৰে।

০০০০০০০

ধুবুৰীৰ নেতাই ধুবুনী উদ্যানত আজি যশস্বী সংগীত পৰিচালক ৰাহুল দেৱ বৰ্মনৰ মৃত্যু বাৰ্ষিকী দিনজোৰা কাৰ্যসূচীৰে উদযাপন কৰা হয়। মৃত্যু বাৰ্ষিকী উপলক্ষে ধুবুৰী আৰ ডি বৰ্মন ফেন ক্লাবৰ সদস্যসকলে হিন্দী চলচ্চিত্ৰ জগতৰ পুৰোধা সংগীত পৰিচালকজনৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ লগতে স্বচ্ছ ভাৰত অভিযানৰ অংশ হিচাপে চাফাই অভিযান কাৰ্যসূচী ৰূপায়ণ কৰা হয়।

0000000

বাক্সা জিলাৰ জালাহত আজি বি টি আৰৰ প্ৰধান প্ৰমোদ বড়োৱে অঞ্চলটোৰ অতি পুৰণি শ্ৰীশ্ৰী লক্ষ্মী মন্দিৰৰ উন্নীতকৰণৰ বাবে বি টি চি পৰিষদৰ আৰ্থিক অনুদানেৰে মন্দিৰৰ আধাৰশিলা স্থাপন কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি বি টি আৰৰ প্ৰধান প্ৰমোদ বড়োৱে কয় যে মছলপুৰ শালবাৰীৰ মধ্যস্থানত অৱস্থিত জালাহৰ উন্নতিৰ বাবে ইতিমধ্যে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। একেদৰে, জালাহত ৰাজহুৱা শ্মশান নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ লগতে জালাহ টাউনত নলা নিৰ্মাণ কৰি থকা হৈছে।

0000000

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত ছিডনীত অনুষ্ঠিত শৃংখলাৰ পঞ্চম তথা অন্তিম টেষ্টখন আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। টেষ্টখনৰ আজি দ্বিতীয় দিনাৰ সামৰণিত ভাৰতে দ্বিতীয় ইনিংছত ৬টা উইকেট হেৰুৱাই ১৪১ ৰাণ সংগ্ৰহ কৰিছে। ভাৰতীয় দলটো পুনৰ প্ৰাৰম্ভিক বেটিং বিপৰ্যয়ৰ সন্মুখীন হোৱাৰ মাজতে উইকেটৰক্ষক বেটাৰ ঋষভ পন্টে বিস্ফোৰক বেটিং প্ৰদৰ্শন কৰে। পন্টে ৩৩ টা বলত ৬১ ৰাণ কৰি আউট হোৱাৰ পাছত দিনান্তত ৰবীন্দ্ৰ জাদেজাই ৮ আৰু ৱাশ্বিংটন সুন্দৰে ৬ ৰাণ কৰি খেলি আছে। বিৰাট কোহলী আৰু কে এল ৰাহুল পুনৰ ব্যৰ্থ হয়। অষ্ট্ৰেলিয়াৰ হৈ স্কট বলাণ্ডে ৪ টা উইকেট দখল কৰে। ইয়াৰ পূৰ্বে ভাৰতে প্ৰথম ইনিংছত কৰা ১৮৫ ৰাণৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াৰ প্ৰথম ইনিংছ ১৮১ ৰাণত সামৰণি পৰে। অষ্ট্ৰেলিয়াৰ হৈ বিঅ' ৱেবষ্টাৰে সৰ্বাধিক ৫৭ আৰু ষ্টিভেন স্মীথে ৩৩ ৰাণৰ বৰঙণি আগবঢ়ায়। ভাৰতৰ হৈ মহম্মদ চিৰাজ আৰু প্ৰসিদ্ধ কৃষ্ণই ৩ টাকৈ উইকেট দখল কৰাৰ লগতে ভাৰপ্ৰাপ্ত অধিনায়ক যশপ্ৰীত বুমৰাই দুটা উইকেট দখল কৰে।

0000000

সমাপ্ত